# **REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date :** 10-07-2025

**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

**-------------------**

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে কাৰ্বি আংলঙলৈ যোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আজি দুপৰীয়া ডিফুত উপস্থিত হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং আৰু তেওঁৰ সতীৰ্থসকলে ৰাজ্যপালগৰাকীক ডিফু ৰে'ল ষ্টেচনত আদৰণি জনায়। প্ৰথমবাৰৰ বাবে পাহাৰীয়া জিলাখন ভ্ৰমণলৈ যোৱা শ্ৰীআচাৰ্যই ডিফুৰ পৰা পোনে পোনে গৈ তাৰালাংছ'ত এটা গছপুলি ৰোপন কাৰ্যসূচীত অংশ লয়। তেওঁ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপি অতিথিশালাত কাৰ্বি আংলঙৰ সমাজসেৱী, বিশিষ্ট ব্যক্তি আৰু পদ্মশ্ৰী সন্মানেৰে সন্মানিতসকলৰ সৈতে মত বিনিময় কৰে। সন্ধিয়াৰ ভাগত তেওঁ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য আৰু বিভাগীয় মুৰব্বী বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। কাইলৈ ৰাজ্যপালগৰাকীয়ে ডিফু চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ লংনিত, মহংডিজুৱা আৰু মাঞ্জাত জলজীৱন মিছন আৰু অন্যান্য উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বুজ ল'ব।

ooooo

উত্তৰ পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ অংশৰ মুপা আৰু দিহাখো ষ্টেচনৰ মাজত ভূমিস্খলনৰ ফলত বন্ধ হৈ পৰা ৰে'লপথচোৱাৰে পুনৰ ৰে'ল চলাচলৰ বাবে সকলো প্ৰচেষ্টা চলাই থকা হৈছে। অঞ্চলটোত এক্সকেভেটৰ আৰু জে চি বিৰ ব্যৱহাৰেৰে শিল আৰু মাটি আঁতৰোৱাৰ কাম কৰি থকা হৈছে। ভূমিস্খলনৰ ফলত ১৩ জুলাইলৈ কেইবাখনো ৰে'লৰ যাত্ৰা বাতিল কৰাত বৰাক উপত্যকাৰ যাত্ৰীসকল সমস্যাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত আজি অনিশ্চয়তাৰ মাজতে শিলচৰ ষ্টেচনৰ পৰা দিনৰ ১২ বজাত গুৱাহাটী অভিমুখী এখন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই গুৱাহাটী আৰু আগৰতলাৰ মাজতো এনে বিশেষ ৰে'ল চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। তদুপৰি, কাঞ্চনজংঘা এক্সপ্ৰেছৰ লগতে কাইলৈ পুনৰ শিলচৰ-গুৱাহাটী-শিলচৰ পথত বিশেষ ৰে'ল চলাচল কৰোৱা হ'ব বুলি ৰে'ল বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ooooo

যোৰহাট জিলা আৰক্ষীয়ে দুজনকৈ ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। অসম চিকিৎসা পৰিষদৰ বিষয়া ড০ অভিজিত নেওগৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে কালি অশোক কুমাৰ গগৈক গ্ৰেপ্তাৰ কৰিছিল। আজি অমৰজ্যোতি নাথ নামৰ আন এজন ভুৱা চিকিৎসকজনক গ্ৰেপ্তাৰ কৰে। বিগত ১৫ বছৰ ধৰি ধৃত ভুৱা চিকিৎসকদ্বয়ে প্ৰয়োজনীয় অৰ্হতা আৰু পঞ্জীয়ন নথকাকৈ চিকিৎসা সেৱা আগবঢ়াই অহা বুলি অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে দুয়োজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

একেদৰে কলিয়াবৰৰ চিকণী চাহ বাগিচাৰ পৰা জখলাবন্ধা আৰক্ষীয়ে পংকজ দাস নামৰ আন এজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। ফাৰ্মাচিষ্ট পংকজ দাসে ২০১৩ চনৰ পৰা ভুৱা চিকিৎসক হিচাপে সেৱা

আগবঢ়াই অহা বুলি অভিযোগ উঠিছে। জখলাবন্ধা আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰি পংকজ দাসক জে’ল হাজোতলৈ প্ৰেৰণ কৰিছে।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোট আৰু দিল্লীস্থিত সদৌ অসমীয়া ছাত্ৰ সন্থাৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা ১৫ জুলাইৰ পৰা দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত নামভৰ্তিৰ বাবে সহায়ক কেন্দ্ৰ স্থাপন কৰা হ’ব। এই মহাবিদ্যালয়সমূহত শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে আবেদনৰ সময়ত সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধান কৰি সহযোগিতা আগবঢ়োৱাৰ লক্ষ্যৰে এই সহায়ক কেন্দ্ৰ স্থাপন কৰা হ’ব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোটৰ সভাপতি পাপলু গগৈ আৰু সাধাৰণ সম্পাদক প্ৰান্তৰ বৰদলৈয়ে আজি এই সন্দৰ্ভত চাৰিটা হেল্পলাইন নম্বৰ মুকলি কৰি নামভৰ্তিৰ ক্ষেত্ৰত যিকোনো অসুবিধাৰ সন্মুখীন হ’লে এই নম্বৰত যোগাযোগ কৰিবলৈ শিক্ষাৰ্থীসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ নিৰ্দেশনামৰ্মে শিৱসাগৰ জিলা প্ৰশাসনে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে জিলাস্তৰৰ আবেদনৰ আহ্বান জনাইছে। জিলাখনৰ ১৮ বছৰ অনূৰ্ধৰ শিশু অথবা কিশোৰসকলে এই পুৰস্কাৰৰ বাবে আবেদন কৰিব পাৰিব। আবেদনৰ অন্তিম দিন অহা ৩১ জুলাই ধাৰ্য কৰা হৈছে। জিলা স্তৰত বিভিন্ন শিতান যেনে- উদ্ভাৱন, বিদ্যায়তনিক কৃতিত্ব, সমাজসেৱা, কলা-সংস্কৃতি, সাহসিকতা অথবা ক্ৰীড়া ক্ষেত্ৰত উৎকৃষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰা কিশোৰসকলে এই পুৰস্কাৰৰ বাবে অনলাইনযোগে আবেদন কৰিব পাৰিব। যোগ্য প্ৰাৰ্থীসকলে awards.gov.in প’ৰ্টেলযোগে আবেদন কৰিব পাৰিব।

০০০০০

ডিব্ৰুগড় জিলাৰ জকাইত বনৰীয়া কাঠফুলা ভক্ষণ কৰি এগৰাকী মহিলা আৰু এটি কিশোৰ গুৰুতৰভাৱে অসুস্থ হৈ পৰাত তেওঁলোকক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। জিলাখনৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অধীনৰ জকাই বলাই অঞ্চলৰ মহিলাগৰাকী আৰু তেওঁৰ পুত্ৰই হাবিৰ পৰা বুটলি অনা কাঠফুলা ভক্ষণ কৰাৰ পাছতেই অসুস্থ হৈ পৰে। বৰ্তমান দুয়োজন সংকটমুক্ত বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

উজনি অসম আৰ্চাৰী একাডেমী ডিব্ৰুগড়ৰ উদ্যোগত অসম আৰ্চাৰী সন্থা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থা আৰু জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ সহযোগত আজিৰে পৰা ১০-দিনীয়াকৈ বৰবৰুৱা চাহ বাগিছা পূজা খেলপথাৰত গ্ৰীষ্মকালীন আৰ্চাৰী প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম  হাজৰিকাই আনুষ্ঠানিকভাৱে মুকলি কৰা এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

সমাপ্ত